**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-07-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***
**-----------------------------**

১। ভাৰতীয় নৌসেনাই ওমানৰ উপকূলৰ সমীপত এখন তেল পৰিবাহী জাহাজ বুৰ যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ থকা ৮গৰাকী ভাৰতীয় সহ চালক দলৰ ৯গৰাকী সদস্যক উদ্ধাৰ কৰিছে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি মৰিছাছত বিদেশত ভাৰতৰ প্ৰথমটো জন ঔষধি কেন্দ্ৰ মুকলি কৰে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্য্যকালৰ প্ৰথম বছৰৰ ৭৫ টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলন **উইংছ টু আৱাৰ হোপ্‌ছ** গ্ৰন্থৰ প্ৰথম খণ্ড আজি উন্মোচন কৰা হ'ব।

৪। মহাৰাষ্ট্ৰত নক্সালবিৰোধী অভিযানত ১২জন নক্সালবাদী নিহত হৈছে।

**আৰু**

৫। সূৰ্য কুমাৰ যাদৱে পুৰুষৰ আই চি চি টি-২০ বেটিঙৰ ৰেংকিঙত দ্বিতীয় স্থান অক্ষুন্ন ৰাখিছে।

০০০০০০০

ভাৰতীয় নৌসেনাৰ আই এন এছ্ টেগ নামৰ যুদ্ধ জাহাজখনে ওমানৰ উপকূলৰ সমীপত এখন তেল পৰিবাহী জাহাজ বুৰ যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ থকা ৮গৰাকী ভাৰতীয় সহ চালক দলৰ ৯গৰাকী সদস্যক উদ্ধাৰ কৰিছে। কমৰোজৰ পতাকা বিশিষ্ট এম ভি প্ৰেষ্টিচ ফেলকন নামৰ তেল পৰিবাহী টেংকাৰখনৰ চালক দলত ১৩গৰাকী ভাৰতীয় আৰু তিনিগৰাকী শ্ৰীলংকাৰ নাগৰিক আছিল। বাকী সদস্যসকলক উদ্ধাৰ কৰাৰ বাবে অভিযান অব্যাহত আছে। ৰাছ মড্ৰকাহৰ পৰা প্ৰায় ২৫ সামুদ্ৰিক মাইল নিলগত তেল পৰিবাহী টেংকাৰখন বুৰ যোৱাৰ পাছত উদ্ধাৰ অভিযানত সহায় কৰাৰ বাবে ভাৰতীয় নৌসেনাৰ যুদ্ধজাহাজ আৰু পি-81 শ্ৰেণীৰ এখন সামুদ্ৰিক তহলদাৰী বিমান নিয়োগ কৰা হৈছে। ভাৰতীয় দূতাবাসে কৈছে যে তেওঁলোকে ওমানৰ কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে আৰু ওমানৰ সামুদ্ৰিক সুৰক্ষা কেন্দ্ৰ আৰু ভাৰতীয় নৌসেনাই অঞ্চলটোত যুটীয়াভাৱে উদ্ধাৰ অভিযান চলাই আছে।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি মৰিছাছত বিদেশত ভাৰতৰ প্ৰথমটো জন ঔষধি কেন্দ্ৰ মুকলি কৰে। জন ঔষধি মুকলি কেন্দ্ৰ অনুষ্ঠানত বিদেশ মন্ত্ৰীগৰাকীৰ সৈতে মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ য'গনাথে অংশগ্ৰহণ কৰে।

সামাজিক মাধ্যমত লিখা এটা পোষ্টত ড০ জয়শংকৰে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত বৰ্ষৰ প্ৰথম ভাগত দিয়া প্ৰতিশ্ৰুতি অনুসৰি এই জন ঔষধি কেন্দ্ৰটো মুকলি কৰা হৈছে। তেওঁ লগতে কয় যে উভয় দেশৰ চিকিৎসা সহযোগিতা প্ৰকল্পৰ অধীনত মৰিছাছৰ জনসাধাৰণক ভাৰতত প্ৰস্তুত কৰা সুলভ মূল্যৰ

ঔষধ যোগান ধৰা হ'ব। এই ঔষধসমূহে দেশখনৰ জনস্বাস্থ্য ব্যৱস্থা সুদৃঢ় কৰিব আৰু জনসাধাৰণৰ কল্যাণ সাধন কৰিব।

ইয়াৰ পূৰ্বে বিদেশ মন্ত্ৰীগৰাকীয়ে কালি দেশখনৰ গ্ৰেণ্ড বইছত ভাৰতীয় অনুদানেৰে নিৰ্মিত এটা চিকিৎসা কেন্দ্ৰ উদ্বোধন কৰে। ড০ জয়শংকৰে এই কেন্দ্ৰটোক উভয় দেশৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ নতুন অভিব্যক্তি বুলি অভিহিত কৰে। উদ্বোধনী অনুষ্ঠানত ভাগ লৈ বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে এই উদ্যমে গ্ৰেণ্ড বইছত বসবাস কৰা প্ৰায় ১৬ হাজাৰ লোকৰ বাবে স্বাস্থ্য যতনৰ দ্বিতীয় পৰ্যায় হিচাপে কাম কৰিব। অনুষ্ঠানত ড০ জয়শংকৰে কয় যে স্বাস্থ্য সকলোৰে বাবে অগ্ৰাধিকাৰৰ বিষয় আৰু সম্প্ৰতি সকলো স্বাস্থ্য সচেতন হৈ উঠিছে।

০০০০০০০

মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে আজি ন্যায়াধীশ নংমেইকাপাম কোটিশ্বৰ সিং আৰু আৰ মহাদেৱনক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰাব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই নিযুক্তিত অনুমোদন জনাইছে। ন্যায়ধীশ দুগৰাকীয়ে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা সৰ্বাধিক ৩৪লৈ বৃদ্ধি পাব। ইয়াৰ পূৰ্বে শ্ৰীসিং জম্মু-কাশ্মীৰ আৰু লাডাখ তথা শ্ৰীমহাদেৱন মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ ৰূপে কৰ্মৰত আছিল। শপত গ্ৰহণৰ পাছত শ্ৰীসিং উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰা মণিপুৰৰ প্ৰথমগৰাকী ন্যায়াধীশ হিচাপে পৰিগণিত হ'ব। উচ্চতম ন্যায়ালয়ত ন্যায়াধীশৰ দুটা পদ খালী হোৱাৰ পৰিপ্ৰেক্ষিতত ন্যায়াধীশ দুগৰাকীৰ পদোন্নতিৰ পৰামৰ্শ দিয়া হৈছিল। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশদ্বয় অনিৰুদ্ধ বসু আৰু এ এছ বোপান্নাই ক্ৰমে বিগত ১০ এপ্ৰিল আৰু ১৯ মে'ত অৱসৰ গ্ৰহণ কৰিছিল।

০০০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্য্যকালৰ প্ৰথম বছৰৰ ৭৫ টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলন **উইংছ টু আৱাৰ হোপ্‌ছ** গ্ৰন্থৰ প্ৰথম খণ্ড আজি নতুন দিল্লীত উন্মোচন কৰা হ'ব। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত এই ই-বুকখন মুকলি কৰিব। কেন্দ্ৰীয় প্ৰকাশন বিভাগে এই গ্ৰন্থখন প্ৰকাশ কৰিছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজী ভাষাত মুকলি কৰা হ'ব।

০০০০০০০

মহাৰাষ্ট্ৰৰ গড়চিৰোলী ছত্তীশগড় সীমান্তৰ সমীপৰ এটাপল্লী খণ্ডত নক্সালবিৰোধী অভিযানত ১২জন মাওবাদী নিহত হৈছে। আৰক্ষীয়ে ৱাণ্ডোলী গাঁৱৰ বনাঞ্চলত কালি বিয়লি নক্সাল বিৰোধী অভিযান চলোৱাৰ সময়ত আত্মগোপন কৰি থকা নক্সালবাদীৰ দলে আৰক্ষীক লক্ষ্য কৰি নিৰ্বিচাৰে গুলীচালনা কৰে। প্ৰত্যুত্তৰত আৰক্ষীয়েও গুলীচালনা কৰিবলৈ বাধ্য হয়। এই সংঘৰ্ষত ১২জন নক্সালবাদী নিহত হয়। গড়চিৰোলীৰ আৰক্ষী অধীক্ষক নিলোৎপলে জনাইছে যে তালাচী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে আৰু আৰক্ষীয়ে বৰ্তমানলৈকে নক্সালবাদীৰ ১২টা শৱদেহ উদ্ধাৰ কৰিছে। আৰক্ষীয়ে তিনিটা একে-৪৭ ৰাইফল, দুটা আই এন এছ এ এছ ৰাইফল, এটা কাৰ্বাইন আৰু এটা ছেল্ফ লোডেড ৰাইফলসহ ভালেমান অস্ত্ৰ-শস্ত্ৰ জব্দ কৰিছে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে। এই সংঘৰ্ষত আহত হোৱা এগৰাকী সহকাৰী আৰক্ষী পৰিদৰ্শক আৰু এগৰাকী কনিষ্টবলক চিকিৎসাৰ বাবে নাগপুৰলৈ স্থানান্তৰিত কৰা হৈছে।

মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিছে এই সংঘৰ্ষক বিগত কেইটামান বছৰত নক্সালবাদীৰ সৈতে হোৱা গুৰুতৰ সংঘৰ্ষ বুলি অভিহিত কৰিছে। তেওঁ লগতে গড়চিৰোলী আৰক্ষীক তেওঁলোকৰ সাহসিকতাৰ বাবে ৫১ লাখ টকাৰে পুৰস্কৃত কৰাৰ কথা ঘোষণা কৰিছে।

0000000

সূৰ্য কুমাৰ যাদৱে কালি জাৰি কৰা পুৰুষৰ আই চি চি টি-২০ বেটিঙৰ বাছনি তালিকাত দ্বিতীয় স্থান অক্ষুন্ন ৰাখিছে। ভাৰতৰ আন এগৰাকী খেলুৱৈ যশস্বী জয়ছৱালে তালিকাত ষষ্ঠ স্থান লাভ কৰিছে। আনহাতে, ৰুতুৰাজ গাইকোৱাড এটা স্থান তললৈ নামি অষ্টম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। অলপতে জিম্বাব্ৱেৰ বিৰুদ্ধে অনুষ্ঠিত টি-২০ শৃংখলাত ৪-১ ফলাফলত জয়লাভ কৰাৰ বাবে শেহতীয়া বাছনি তালিকাত ভাৰতীয় খেলুৱৈসকলৰ স্থান উন্নীত হৈছে।

পুৰুষৰ টি-২০ অলৰাউণ্ডাৰৰ বাছনি তালিকাত ভাৰতৰ অকল হাৰ্দিক পাণ্ড্য়াই স্থান লাভ কৰিবলৈ সক্ষম হৈছে। তালিকাত পাণ্ড্য়াই ষষ্ঠ স্থান লাভ কৰিছে। শ্ৰীলংকাৰ ৱানিণ্ডু হাছৰাংগাই এই তালিকাৰ শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিছে। ইফালে পুৰুষৰ টেষ্ট বেটিঙৰ ৰেংকিঙত ৰোহিত শৰ্মাই ষষ্ঠ আৰু যশস্বী জয়ছৱালে অষ্টম স্থান লাভ কৰিছে। প্ৰাক্তন অধিনায়ক বিৰাট কোহলীয়ে এটা স্থান তললৈ নামি দশম স্থান অধিকাৰ কৰিছে।

0000000

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগতাৰ কাইলৈ শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ৰনগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলোৱা হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী মেচত কাইলৈ গ্ৰুপ এৰ দল নেপাল আৰু ইউ এ ইৰ মাজত অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে যোৱাবাৰৰ চেম্পিয়ন ভাৰত গ্ৰুপ এৰ আন এখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে জয়েৰে অভিযান আৰম্ভ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান, নেপাল আৰু ইউ এ ইৰ সৈতে গ্ৰুপ এত স্থান দিয়া হৈছে। আনহাতে আয়োজক দেশ শ্ৰীলংকা, বাংলাদেশ, থাইলেণ্ড আৰু মালয়েছিয়াক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দল দুটাৰ মাজত ২৬ জুলাইত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। ২৮ জুলাইত ফাইনেল খেল খেলোৱা হ'ব। ভাৰতে ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে। ভাৰত ২০১৮ চনৰ ফাইনেলত বাংলাদেশৰ হাতত পৰাজিত হৈছিল।

0000000

ভাৰতৰ সুমিত নাগলে আজি ছুইডিছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ৩৬ সংখ্যক স্থানৰ আৰ্জেণ্টিনাৰ মৰিয়ানো নৱোনেৰ সন্মুখীন হ'ব। খেলখন আজি বিয়লি ছুইডেনৰ বষ্টাড টেনিছ ষ্টেডিয়ামৰ চেণ্টাৰ কোৰ্টত অনুষ্ঠিত হ'ব। নাগলে মঙলবাৰে প্ৰতিযোগিতাৰ এখন খেলত ছুইডেনৰ এলিয়াছ য়মেৰক ৬-৪, ৬-৩ পোনপটীয়া ছেটত পৰাভূত কৰে।

০০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু এন শ্ৰীৰাম বালাজীৰ যুটিটো আজি বিয়লি জাৰ্মানীত অনুষ্ঠিত হেমবাৰ্গ অ'পেন টেনিছ প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত জাৰ্মানীৰ জেকব স্নাইটাৰ আৰু মাৰ্ক ৱালনাৰৰ যুটিটোৰ মুখামুখি হ'ব। পেৰিছ অলিম্পিকৰ পূৰ্বে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিবলৈ এই প্ৰতিযোগিতাখন ভাৰতীয় যুটিটোৰ বাবে সুবৰ্ণ সুযোগ হিচাপে বিবেচিত হৈছে।

ইপিনে, প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্য্যায়ৰ এখন খেলত আজি ভাৰতৰ বিজয় সুন্দৰ প্ৰশান্ত্ আৰু জীৱন নেদুনচেজিয়ানৰ যুটিটো জাৰ্মানীৰ টিম পুটজ আৰু কেভিন ক্ৰাৱিট্জৰ যুটিটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত